## আৰবিআইৰ দ্বাৰা অনুমোদিত 2.0 যোজনাৰ পুনৰ্গঠনৰ ওপৰত সঘনাই সোধা প্ৰশ্নসমূহ

**1. আৰবিআইৰ দ্বাৰা অনুমোদিত 2.0 যোজনাৰ পুনৰগঠন কি?**

আৰবিআইয়ে কোভিড-19 মহামাৰীৰ ফলত গ্ৰাহক সকলৰ বাবে মহত্বপূৰ্ণ অৰ্থনৈতিক চাপৰ সৃষ্টি কৰি তাৰ বাবে হোৱা অৰ্থনৈতিক পতন দূৰ কৰিবলৈ সংকল্প যোজনা সমূহ প্ৰয়োগৰ বাবে বেংক আৰু ঋণ প্ৰদান কৰা সংস্থান সমূহক এক গাঁথনি প্ৰদান কৰিছে । গাঁথনি আৰু নিয়ন্ত্ৰক নিৰ্দেশাৱলী সমূহৰ ওপৰত ভিত্তি কৰি, আপোনাৰ বেংকে সেইসকল ব্যক্তি আৰু সংস্থাৰ ঋণ/ সমূহৰ পুনৰ্গঠনৰ বাবে নিজৰ নীতি তৈয়াৰ কৰিছে যি কোভিড-19 মহামাৰীৰ দ্বাৰা প্ৰভাবিত হৈছে ।

**2. পুনৰগঠন বাবে কোন উপযুক্ত?**

a) ব্যক্তি আৰু সংস্থান সমূহ যি এপ্ৰিল 1, 2021 ত বেংকৰ সৈতে ষ্টেণ্ডাৰ্ড হিচাপে শ্ৰেণীবদ্ধ হৈছে ।
b) গ্ৰাহকৰ আয় অথবা নগদ প্ৰবাহত হ্ৰাস/ ক্ষতিৰ ৰূপত কোভিড-19ৰ দ্বাৰা আৰ্থিকভাবে প্ৰভাবিত হ'ব লাগিব ।
c) কেৱল মাত্ৰ 1 এপ্ৰিল, 2021 পৰ্যন্ত বেংকৰ নথিত থকা একাউন্টবোৰ যোগ্য হ'ব ।
d) আয়ৰ হ্ৰাস আৰু গ্ৰাহকৰ ওপৰত ইয়াৰ আৰ্থিক প্ৰভাব বেংকৰ ভিত্তিত পৰ্যালোচনা কৰা হ'ব যে, প্ৰদান কৰা নথি/তথ্যই এইটো দেখুৱাইছে যে কোভিড-19 ৰ প্ৰভাবৰ বাবে নগদ প্ৰবাহ হ্ৰাস হৈছে । পুনৰগঠন অনুমোদন কৰাৰ পূৰ্বে বেংকে প্ৰদান কৰা নথিপত্ৰৰ ভিত্তিত পুনৰ্গঠিত ইএমআই পৰিশোধ কৰিবৰ বাবে গ্ৰাহকৰ সক্ষমতা মূল্যায়ন কৰিব । মূল্যায়ন গণনা কৰাৰ উপৰিও, গ্ৰাহকৰ পুনঃপৰিশোধ ট্ৰেক ৰেকৰ্ড, ক্ৰেডিট ব্যুৰো ৰেকৰ্ড আৰু পূৰ্বে স্থগিতাদেশ গ্ৰহণৰ সময়ত গ্ৰাহকে দিয়া প্ৰতিক্ৰিয়াসমূহো পুনৰ্গঠনৰ সিদ্ধান্তত বিবেচনা কৰা হ'ব ।

**3. নিয়ন্ত্ৰক পুনৰগঠন ৰিলিফ পেকেজৰ অধীনত কোনবোৰ উৎপাদক অন্তৰ্ভূক্ত থাকিব**

- ক্ৰেডিট কাৰ্ড প্ৰাপ্য
- বাহন ঋণ আৰু দুচকীয়া বাহন ঋণ
- ব্যক্তগত ঋণ (ব্যক্তিগত ব্যৱহাৰৰ বাবে / ব্যৱসায়/ বাণিজ্যিক উদ্দেশ্যে উভয়ৰ বাবে)
- বৃত্তধাৰী সকলৰ বাবে ব্যক্তগত ঋণ
- শিক্ষা ঋণ
- স্থাৱৰ সম্পত্তিৰ সৃষ্টি / বৃদ্ধিৰ বাবে দিয়া ঋণ(উদাহৰণ, আবাস ঋণ)
- উদ্যম প্ৰমাণপত্ৰৰ সৈতে এমএচএমই ঋণ (ঋণগ্ৰহীতাক 31 মাৰ্চ,2019 তাৰিখত গেজেট বিজ্ঞপ্তি S.O.21199(E)ৰ পৰিপ্ৰেক্ষিতত এমএচএমই হিচাপে শ্ৰেণীবদ্ধ কৰা উচিত)

**4. পুনৰগঠন বাবে কি প্ৰকাৰৰ ঋণসমূহ যোগ্য নহয়?**

পুনৰগঠন বাবে নিম্ন উল্লেখিত সংস্থা / ব্যক্তিসকলে ঋণ যোগ্য নহয়:-
- কৃষিগত উদ্দেশ্যৰ বাবে আৰু বেংকৰ দ্বাৰা কৃষি ঋণ হিচাপে শ্ৰেণীবদ্ধ ব্যক্তি / সংস্থা
- কৃষি ঋণ সমিতি সমূহ
- আৰ্থিক সেৱা প্ৰদানকাৰী
- কেন্দ্ৰীয়, ৰাজ্যিক আৰু স্থানীয় চৰকাৰী সংস্থাসমূহ
- এইচডিএফচি বেংক কৰ্মচাৰী
- আবাস বিত্তীয় কোম্পানীবোৰ যাক ইতিমধ্যে পুননিৰ্ধাৰিত কৰা হৈছে
- ঋণ যি ইতিমধ্যে পুনৰগঠন কৰা হৈছে

**5. মই মোৰ ঋণত কেনেকৈ পুনৰগঠন সুবিধা প্ৰাপ্ত কৰিব পাৰো?**

আবেদন লিংক ৰ বাবে আপুনি বেংকৰ ৱেবচাইট পৰিদৰ্শন কৰিব পাৰে, আবেদন পত্ৰ পূৰণ কৰক আৰু প্ৰাসঙ্গিক বিৱৰণ দাখিল কৰক ।

আপোনাৰ ঋণ একাউন্ট নম্বৰ / ক্ৰেডিট কাৰ্ড নম্বৰ / বেংকৰ সৈতে পঞ্জীভূত ইমেইল আইডি আৰু পঞ্জীভূত মোবাইল নম্বৰ / ইমেইলত প্ৰেৰণ কৰা অটিপিৰ সৈতে আবেদন পত্ৰত লগিন কৰক । যদি আপুনি আপোনাৰ নম্বৰ সলনি কৰিছে, অনুগ্ৰহ কৰি নিকটবৰ্তী শাখাত নম্বৰ সলনিৰ বাবে এক লিখিত অনুৰোধ কৰিব, আৰু চিষ্টেমত নম্বৰ পৰিবৰ্তন হোৱাৰ পিছত আবেদন কৰিব ।

বৈকল্পিকভাবে, আপুনি আপোনাৰ ৰিলেচনশ্বীপ মেনেজাৰক(আৰএম)যোগাযোগ কৰিব পাৰে ।

**6. মই একাধিকবাৰ আবেদন কৰিব পাৰো নে?**

নোৱাৰে । আপুনি পুনৰগঠন বাবে মাত্ৰ এবাৰেই আবেদন কৰিব পাৰে ।

**7. পুনৰগঠন বিকল্প সমূহ কি যিবোৰ মোৰ বাবে উপলব্ধ?**

আপোনাৰ মাহেকীয়া ইএমআই পৰিশোধৰ বোজা হ্ৰাস কৰিবলৈ বেংকে নিজৰ বিবেচনাৰ ভিত্তিত স্থগিতকাল সহ ঋণৰ শেষ সময়সীমাক সৰ্বোচ্চ 24 মাহলৈকে সময়সীমা বৃদ্ধি কৰিব পৰা যায় ।

**8. পুনৰগঠন সুবিধা প্ৰাপ্ত কৰিবলৈ মই কিবা নথিপত্ৰ দাখিল কৰাৰ প্ৰয়োজন হ’ব নেকি?**

বেংকক আপুনি আপোনাৰ বৃত্তি বা ব্যৱসায়ৰ বৰ্তমান স্থিতিৰ বিষয়ে বিৱৰণ দি নথিপত্ৰ জমা কৰাৰ আৱশ্যকতা হ’ব:

বেতনভোগী ঋণগ্ৰহীতাৰ বাবে:
- মাৰ্চ 2021 মাহৰ বেতন স্লিপ আৰু বিগত 2 মাহৰ শেহতীয়া বেতন স্লিপ
- প্ৰত্যাশিত পুনৰগঠন সময়সীমা(সৰ্বোচ্চ 24 মাহ)সমাপ্তিৰ ঠিক পিছতে আনুমানিক বেতন / আয়ৰ ঘোষনা
- চাকৰিৰ পৰা অব্যাহতিৰ চিঠি (চাকৰি নোহোৱাৰ ক্ষেত্ৰত)
- অক্টোবৰ 2020 ৰপৰা এই পৰ্যন্ত বেতনভোগী কৰ্মচাৰী সকলৰ ক্ষেত্ৰত যি একাউন্টত বেতন জমা হৈছে সেই বেংক একাউন্টৰ বিবৃতি

স্ব-নিয়োজিত ধাৰক / সংস্থাসমূহৰ বাবে:
- 1ম এপ্ৰিল 2020 ৰপৰা এই পৰ্যন্ত কাৰেন্ট / চিচি একাউন্টৰ বেংক বিবৃতি
- অক্টোবৰ 2020 ৰপৰা এই পৰ্যন্ত জিএচটি ৰিটাৰ্ণ
- বিত্তীয় বৰ্ষ-19 ও বিত্তীয় বৰ্ষ-20 আৰু বিত্তীয় বৰ্ষ-21 ৰ বাবে আয় কৰ ৰিটাৰ্ণ(যদি ফাইল কৰিছে)
- বিগত 2 বছৰৰ লাভ আৰু লোকচানৰ বিবৃতি / বেলেন্স শ্বীট
- উদ্যম প্ৰমাণপত্ৰ
- স্ব-নিযুক্ত বৃত্তিধাৰী / ব্যৱসায়ীৰ দ্বাৰা ঘোষনা যে তেওঁলোকৰ ব্যৱসায় কোভিড-19 ৰ দ্বাৰা প্ৰভাবিত ।

লিংকত আবেদন কৰাৰ পূৰ্বে অনুগ্ৰহ কৰি এই নথিপত্ৰ সমূহ তৈয়াৰ কৰি ৰাখিব, কিয়নো অসম্পূৰ্ণ আবেদন সমূহ প্ৰক্ৰিয়াকৰণ কৰাৰ সম্ভাবনা নাথাকে ।

**9. পুনৰগঠন পেকেজ নিৰ্বাচন কৰাৰ বাবে মোৰ ক্ৰেডিট ব্যুৰো ৰিপোৰ্টৰ ওপৰত কোনো প্ৰভাৱ পৰিব নেকি?**

নিয়ন্ত্ৰক নিৰ্দেশনা অনুসৰি, আপোনাৰ ঋণ / ক্ৰেডিট সুবিধাৰ ৰিপোৰ্ট, ক্ৰেডিট ব্যুৰোক “পুনৰ্গঠিত” হিচাপে কৰা হ’ব ।

**10. মোৰ বেংকৰ সৈতে একাধিক ঋণ / ক্ৰেডিট সুবিধা আছে । মই প্ৰতিটো ঋণৰ বাবে পৃথকভাবে আবেদন কৰিব লাগিব নেকি ?**

পুনৰগঠন আবেদন পত্ৰত বেংকৰ ৱেবচাইটত এখন আবেদন পত্ৰৰ দ্বাৰা এক বা সকলো ঋণৰ বাবে আবেদন কৰাৰ বিকল্প থাকিব । ইয়াৰ ওপৰত নিৰ্ণয় লোৱাৰ পূৰ্বে বেংকে নিয়ন্ত্ৰক নিৰ্দেশনাৰ ওপৰত আবেদন পত্ৰ, কোভিড-19ৰ প্ৰভাব আৰু পুনঃপৰিশোধ যোজনাৰ কাৰ্যকাৰীতা মূল্যায়ন কৰিব ।

**11. মোৰ ক্ৰেডিট সীমাৰ অন্তৰ্গত ইএমআই পৰিকল্পনা সহ মোৰ এক ক্ৰেডিট কাৰ্ড আছে । মই কেৱল ক্ৰেডিট কাৰ্ড পুনৰগঠন বিকল্প নিৰ্বাচন কৰিব পাৰো নে আৰু ইএমআই প্লেন নহয়?**

ক্ৰেডিট সীমাৰ অন্তৰ্গত ঋণসহ সম্পূৰ্ণ ক্ৰেডিট কাৰ্ডৰ বেলেন্স ৰাশিৰ পুনৰগঠন কৰা হ’ব আৰু এক পৃথক ঋণ একাউন্টত পৰিবৰ্তিত কৰা হ’ব ।

**12. মোৰ ক্ৰেডিট কাৰ্ডত এক জাম্বো ঋণ সুবিধা আছে। যদি মই ক্ৰেডিট কাৰ্ড পুনৰগঠন কৰা নিৰ্বাচন কৰো, তেনেহ'লে জাম্বো ঋণ পৰিবৰ্তিত কৰা বাধ্যতামূলক নেকি?**

আপুনি ক্ৰেডিট বেলেন্স বা জাম্বো ঋণ বা দুয়োটা সুবিধা পুনৰ্গঠন কৰাতো নিৰ্বাচন কৰিব পাৰে ।

**13. যদি মই ক্ৰেডিট কাৰ্ড পুনৰ্গঠন যোজনাৰ লাভ উঠাওঁ, মোৰ ক্ৰেডিট কাৰ্ড অবৰুদ্ধ বা নিষ্ক্ৰিয় হৈ যাব নেকি?**

বেংকৰ সৈতে আপোনাৰ যিকোনো ঋণ / ক্ৰেডিট কাৰ্ডৰ পুনৰগঠন বাবে অনুমোদন প্ৰাপ্ত হোৱাৰ পিছত আপোনাৰ ক্ৰেডিট কাৰ্ড কোনো ধৰণৰ জাননী অবিহনে নিষ্ক্ৰিয় হৈ যাব । বেংকে ঋণ ইএমআই পুনঃপৰিশোধৰ আচৰণৰ আধাৰত 12 মাহৰ পিছত কাৰ্ডত নিজৰ বিবেচনা অনুসৰি নতুন সীমা পুনঃস্থাপন কৰাৰ বিকল্প নিৰ্বাচিত কৰিব পাৰে ।

**14. পুনৰগঠন সুবিধা প্ৰাপ্ত কৰিবলৈ নূন্যতম বাকেয়া ৰাশিৰ প্ৰয়োজন আছে নেকি?**

কাৰ্ড / ঋণ পৰিবৰ্তিত কৰিবলৈ প্ৰয়োজনীয় নূন্যতম বাকেয়া ৰাশি হৈছে 25,000 টকা ।

**15. এক লঘূ-স্তৰীয় ইউনিটৰ মই এক স্ব-নিয়োজিত কৰ্মচাৰী / সংস্থা । মই ৰেহাইৰ বাবে যোগ্য নে?**

স্ব-নিয়োজিত ব্যক্তি / সংস্থা সমূহ এমএচএমই আৰু এমএচএমই নোহোৱা দুয়োটা বিভাগৰ অধীনত ৰেহাইৰ বাবে যোগ্য । বেংকে ইয়াৰ স্ব-নিয়োজিত গ্ৰাহক সকলক য'ত প্ৰযোজ্য চৰকাৰৰ উদ্যম পোৰ্টেলৰ মাধ্যমেৰে নিজকে এমএচএমই হচাপে পঞ্জীভূত কৰিবলৈ অনুৰোধ জনাব । উদ্যম পোৰ্টেল লিংক:
https://udyamregistration.gov.in/Government-of-India/Ministry-of-MSME/online-registration.htm

**16. মই এতিয়া পুনৰগঠন বাবে আবেদন কৰিব পাৰো নে, কিয়নো মই পূৰ্বে স্থগিতাদেশৰ বাবে আবেদন কৰিবলৈ সক্ষম নাছিলো?**

পুনৰ্গঠন যোজনা বেংকৰ সকলো গ্ৰাহকৰ বাবে মুক্ত,ঋণ স্থগিতকৰণ স্থিতি যিয়েই হওঁক, ঋণগ্ৰহীতাই পুনৰ্গঠনৰ নিয়ন্ত্ৰক নিৰ্দেশাৱলী সমূহ পূৰ্ণ কৰা সাপেক্ষ ।

.

**17. মই ইতিমধ্যে পুনৰগঠন সুযোগ গ্ৰহণ কৰিছো। মই আকৌ এবাৰ ইয়াক গ্ৰহণ কৰাৰ যোগ্য নে?**

যদি আপুনি ইতিমধ্যে পুনৰ্গঠন সুযোগ গ্ৰহণ কৰিছে, তেনেহ'লে এই যোজনাৰ অধীনত আপুনি পুনৰ্গঠন সুযোগ গ্ৰহণৰ বাবে যোগ্য নহয় । তথাপিও, যদি আপুনি 31 ডিচেম্বৰত সমাপ্ত হোৱা পূৰ্বৰ যোজনাৰ 24 মাহৰ মেয়াদ বৃদ্ধি সময়চোৱাৰ সম্পূৰ্ণ সুবিধা প্ৰাপ্ত কৰা নাই,তেনেহ'লে বেংকে মূল্যায়ন কৰিব পাৰে আৰু 24 মাহৰ মেয়াদ বৃদ্ধি সম্পূৰ্ণ সময়চোৱাৰ বাবে ৰেহাই প্ৰদান কৰিব পাৰে ।

**18. মোৰ ঋণ এক সহ-ঋণগ্ৰহীতা / সকলৰ সৈতে লোৱা হৈছিল। মূল ঋণ চুক্তিৰ সকলো সহ-ঋণগ্ৰহীতাই সংশোধিত পুনৰ্গঠন চুক্তিত হস্তাক্ষৰ কৰা আৱশ্যক নেকি?**

নিয়ন্ত্ৰক আৰু আইনী প্ৰয়োজন অনুসৰি, মূল ঋণৰ সকলো ঋণগ্ৰহীতা / সহ-ঋণগ্ৰহীতাই পুনৰ্গঠন চুক্তি সহ ঋণ সংৰচনাত হোৱা যিকোনো পৰিবৰ্তনত সন্মতি আৰু হস্তাক্ষৰ কৰিব লাগিব ।

**19. পোৰ্টলৰ মাধ্যমেৰে আবেদন কৰাৰ অন্তিম তাৰিখ কেতিয়া?**

পোৰ্টেলৰ লিংক 20 চেপ্তেম্বৰ 2021 পৰ্যন্ত একক ঋণ অথবা সামগ্ৰিক এক্সপোজাৰ 20 লাখতকৈ কম গ্ৰাহক সকলৰ বাবে লাইভ থাকিব ।

**20. পুনৰগঠন স্থিতিৰ বিষয়ে জানিবলৈ মোৰ কিমান সময় লাগিব?**

বেংকে গ্ৰাহক সকলক 10 ৰপৰা 14 কাৰ্যকৰী দিনত প্ৰক্ৰিয়াকৰণ আৰু আবেদনৰ স্থিতিৰ বিষয়ে অৱগত কৰিব ।

**21. মই স্বীকৃতিৰ বাবে কেনেকৈ অনুমোদন আৰু যোগাযোগ প্ৰাপ্ত কৰিম?**

বেংকে পঞ্জীভূত ফোন নম্বৰ বা ইমেইল ঠিকনাত টেক্সট বাৰ্তা বা ইমেইলৰ মাধ্যমেৰে পুনৰগঠন অনুৰোধৰ স্থিতিৰ বিষয়ে যোগাযোগ কৰিব ।

**22. পুনৰগঠন বাবে মই আৰু তথ্য-পাতি প্ৰস্তুত কৰা প্ৰয়োজন হ'ব নেকি?**

সকলো ঋণৰ বাবে, পুনৰগঠন কাৰ্যকৰী কৰাৰ বাবে বেংকৰ অনুমোদনৰ পিছত আপুনি পুনৰ্গঠন চুক্তিত হস্তাক্ষৰ কৰিব লাগিব । যদি আপুনি একমাত্ৰ ঋণগ্ৰহীতা হয়, বেংকে চুক্তিসমহ স্বাক্ষৰ কৰাৰ বাবে ডিজিটেল বিকল্প প্ৰদান কৰিব ।
ঋণ সংৰচনাত দুজন বা ততোধিক আবেদনকাৰী থকাৰ ক্ষেত্ৰত, সকলো আবেদনকাৰীয়ে আবেদন পত্ৰ আৰু সংশোধিত চুক্তিত শাৰীৰিক স্বাক্ষৰ কৰি চৰ্তসমূহ স্বীকাৰ কৰিব লাগিব আৰু এই চুক্তি নিকটবৰ্তী গ্ৰাহক সেৱা ডেস্কত দাখিল কৰিব লাগিব । গ্ৰাহকে তেওঁৰ পঞ্জীভূত ইমেইল আইডি / নিয়মিত ডাকৰ জৰিয়তে সংশোধিত চৰ্ত আৰু পৰিশোধিত সূচী প্ৰাপ্ত কৰিব ।

অধিক প্ৰশ্নৰ বাবে:
কৰ্পোৰেট আৰু এচমই গ্ৰাহক -অনুগ্ৰহ কৰি আপোনাৰ ৰিলেচনশ্বীপ মেনেজাৰক যোগাযোগ কৰক
খুচুৰা ব্যক্তিগত গ্ৰাহক - অনুগ্ৰহ কৰি loansupport@hdfcbank.com ত আমালৈ লিখক